**REGIONAL NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 20-NOV-2025
**Time :** 0900 Hrs

***Assamese Morning Bulletin***
***Headlines***

-------------------------------

১। নতুন ফৌজদাৰী আইন ৰূপায়ণৰ ক্ষেত্ৰত দেশৰ ভিতৰত অসমৰ শীৰ্ষ স্থান লাভ।

২। গুৱাহাটীৰ চানমাৰিৰ খেলপথাৰত যোৱা নিশা তিনিশতাধিক শিল্পীৰ গীত-মাতেৰে প্ৰাণৰ শিল্পী জুবিন গাৰ্গলৈ শ্ৰদ্ধাঞ্জলি।

৩। ছটা জনগোষ্ঠীৰ জনজাতিকৰণৰ দাবীৰে উজনি অসমৰ বিভিন্ন স্থানত বিভিন্ন দল-সংগঠনৰ বিক্ষোভ অব্যাহত।

৪। দশমবাৰৰ বাবে বিহাৰৰ মুখ্যমন্ত্ৰী হিচাপে আজি নীতিশ কুমাৰৰ শপত গ্ৰহণ। **আৰু**

৫। বৰ্ষাপাৰা ষ্টেডিয়ামত প্ৰথমবাৰৰ বাবে হ'বলগীয়া টেষ্ট মেচৰ বাবে ভাৰত আৰু দক্ষিণ আফ্ৰিকাৰ ক্ৰিকেট দলৰ আজি অনুশীলন।

০০০০০০

নতুন ফৌজদাৰী আইন ৰূপায়ণৰ ক্ষেত্ৰত অসমে দেশৰ ভিতৰতে প্ৰথম স্থান লাভ কৰিছে। শেহতীয়াকৈ প্ৰকাশিত তথ্য অনুসৰি নতুন ফৌজদাৰী আইন ৰূপায়ণৰ ক্ষেত্ৰত ৰাষ্ট্ৰীয় গড় ৪৪ দশমিক ৯-৬ৰ বিপৰীতে অসমে ৭২ দশমিক ০-৩ স্ক'ৰ লাভ কৰিছে। মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই সামাজিক মাধ্যমযোগে এই তথ্য প্ৰকাশ কৰি এই তথ্যই প্ৰশাসনিক সংস্কাৰ, দক্ষতা আৰু আই চি টি সংহতিৰ ক্ষেত্ৰত অসম আগবঢ়াতো প্ৰমাণ কৰে বুলি উল্লেখ কৰিছে। তদুপৰি ক্ষীপ্ৰ, ন্যায্য আৰু অধিক কাৰ্যক্ষম ন্যায় প্ৰদান ব্যৱস্থাৰ প্ৰতি ৰাজ্য চৰকাৰৰ দায়বদ্ধতাক শেহতীয়া তথ্যই প্ৰতিফলিত কৰা বুলিও মুখ্যমন্ত্ৰী ড০ শৰ্মাই প্ৰকাশ কৰিছে। উল্লেখযোগ্য যে নতুন ফৌজদাৰী আইন ৰূপায়ণৰ ক্ষেত্ৰত অসম শীৰ্ষ স্থানত থকাৰ বিপৰীতে ৬২ দশমিক ৭-৯ স্ক'ৰেৰে হাৰিয়ানা দ্বিতীয় আৰু ৬০ দশমিক ৮-৭ স্ক'ৰেৰে ছিকিম তৃতীয় স্থানত আছে।

০০০০০০

অগণন অনুৰাগীক শোকস্তব্ধ কৰি কায়িকভাৱে আতৰি যোৱা প্ৰাণৰ শিল্পী জুবিন গাৰ্গক যোৱা নিশা ৰাজ্যখনৰ প্ৰায় ৩০০ গৰাকী শিল্পীয়ে গুৱাহাটীৰ চানমাৰিৰ অসম অভিযান্ত্ৰিক প্ৰতিষ্ঠানৰ খেলপথাৰত গীতেৰে স্মৰণ কৰে। কেবাগৰাকীও ন-পুৰণি শিল্পীয়ে শ্ৰীশ্ৰীমাধৱদেৱ বিৰচিত এটি বৰগীতেৰে অনুষ্ঠানটিৰ শুভাৰম্ভ কৰে। এই গীতটি জুবিন গাৰ্গৰ কণ্ঠত পূৰ্বে বাণীবদ্ধ কৰা হৈছিল। এই সুৰীয়া শ্ৰদ্ধাঞ্জলি অনুষ্ঠানত অংগৰাগ পাপন মহন্তকে ধৰি ২০০তকৈ অধিক কণ্ঠশিল্পী আৰু ৭০ গৰাকীৰো অধিক বাদ্যযন্ত্ৰীয়ে ৮ গৰাকী সংগীত পৰিচালকৰ তত্বাৱধানত জুবিন গাৰ্গৰ দুকুৰি গীত পৰিৱেশন কৰে।

(গান)

অনুষ্ঠানটোত অংশগ্ৰহণ কৰি জুবিন গাৰ্গৰ একালৰ সহযোগী বহু শিল্পীয়ে প্ৰয়াত শিল্পীগৰাকীক স্মৰণ কৰাৰ লগতে ৰহস্যজনক মৃত্যুৰ ঘটনাৰ সন্দৰ্ভত শীঘ্ৰেই ন্যায় প্ৰদানৰ দাবী জনায়। জুবিন গাৰ্গৰ দীৰ্ঘদিনৰ সহযোগী দিগন্ত ভাৰতীয়ে জনতাৰ প্ৰাণৰ শিল্পীগৰাকীৰ কৰ্মৰাজিৰ সংৰক্ষণ কৰাৰ লগতে এইসমূহক লৈ গৱেষণা কৰাৰ প্ৰয়োজন আছে বুলি মন্তব্য কৰিছে।

**বাইট (দিগন্ত ভাৰতী)**

ইপিনে জনতাৰ প্ৰাণৰ শিল্পী জুবিন গাৰ্গৰ ৰহস্যজনক মৃত্যুৰ গোচৰ সন্দৰ্ভত বিশেষ তদন্তকাৰী গোটে এই পৰ্যন্ত ১৬০ জন লোকৰ ভাষ্য গ্ৰহণ কৰিছে। এছ আই টিয়ে তদন্ত প্ৰক্ৰিয়া চলাই নিয়াৰ সমান্তৰালকৈ প্ৰতিদিনে বিভিন্নজন ব্যক্তিৰ সাক্ষ্য লৈ আছে। এছ আই টিত ভাষ্যগ্ৰহণ কৰাৰ সমান্তৰালকৈ গোচৰটো সন্দৰ্ভত আদালতত সাক্ষ্য গ্ৰহণ প্ৰক্ৰিয়াও চলি আছে। গুৱাহাটী উচ্চ ন্যায়ালয়ৰ ন্যায়াধীশ সৌমিত্ৰ শইকীয়াৰ নেতৃত্বত গঠিত ন্যায়িক আয়োগত ইতিমধ্যে বহুকেইগৰাকী সমাজকৰ্মী, সাংবাদিককে ধৰি বিশিষ্ট ব্যক্তিয়ে সাক্ষ্য দিছে। প্ৰাণৰ শিল্পীগৰাকীৰ ৰহস্যজনক মৃত্যুৰ ঘটনা ইতিমধ্যে দুমাহ পাৰ হোৱাত শিল্পীগৰাকীক শীঘ্ৰেই ন্যায় প্ৰদানৰ বাবে অনুৰাগীসকলেও প্ৰতিবাদ অব্যাহত ৰাখিছে।

০০০০০০

ছটা জনগোষ্ঠীৰ জনজাতিকৰণৰ দাবীৰে উজনি অসমৰ ডিব্ৰুগড়কে ধৰি জিলাসমূহত প্ৰতিবাদী কাৰ্যসূচী অব্যাহত আছে। কালি সদৌ অসম টাই-আহোম ছাত্ৰ সন্থাই ডিব্ৰুগড়ত জোঁৰ সমদল উলিয়াই প্ৰতিবাদ সাব্যস্ত কৰে। ডিব্ৰুগড়ৰ বৰপথাৰ হাইস্কুল খেলপথাৰৰ পৰা ৰাষ্ট্ৰীয় ঘাইপথেৰে গৈ কুমাৰণিছিগালৈকে এই সমদল উলিওৱা হয়। পাঁচ হাজাৰৰো অধিক লোকে অংশগ্ৰহণ কৰা এই প্ৰতিবাদী সমদলত অংশ লোৱাসকলে বিভিন্ন শ্লʼগানেৰে জনজাতিকৰণৰ দাবী তোলে। সৰু পথাৰতো জনজাতিকৰণৰ দাবীৰে টাই-আহোম ছাত্ৰ সন্থাই প্ৰতিবাদী জোঁৰ সমদল উলিয়ায়। এই সন্দৰ্ভত সংগঠনটোৰ নেতা মিলন বুঢ়াগোহাঁইয়ে এইদৰে কয় –

**বাইট**

ইপিনে, ছটা জনগোষ্ঠীৰ জনজাতিকৰণৰ বিৰোধিতা কৰি জনজাতীয় সংগঠনসমূহৰ সমন্বয়ৰক্ষী সমিতি, অসমে কালি অনুসূচিত জনজাতিৰ ৰাষ্ট্ৰীয় আয়োগ অৰ্থাৎ এন চি এছ টিৰ অধ্যক্ষক সাক্ষাৎ কৰি স্মাৰক পত্ৰ প্ৰদান কৰে। তেওঁলোকে কয়, যে ছটা জনগোষ্ঠীৰ জনজাতিকৰণৰ বিষয়টো পুনৰীক্ষণৰ বাবে গঠন কৰা মন্ত্ৰী গোটে ২৫ নৱেম্বৰত বিধানসভাত প্ৰতিবেদন দাখিল কৰিব যদিও এই ছটা জনগোষ্ঠীয়ে জনজাতিৰ মৰ্যাদা লাভ কৰিলে বৰ্তমান জনজাতিৰ মৰ্যাদা লাভ কৰি থকা ১৪ টা জনজাতিৰ লোকসকল সমস্যাৰ সন্মুখীন হʼব।

০০০০০০

জনতা দল ইউনাইটেডৰ মুৰব্বী নীতিশ কুমাৰে আজি দশম বাৰৰ বাবে বিহাৰৰ মুখ্যমন্ত্ৰী হিচাপে শপত গ্ৰহণ কৰিব। পাটনাৰ ঐতিহাসিক গান্ধী ময়দানত আজি দিনৰ চাৰে ১১ বজাত এই শপত গ্ৰহণ অনুষ্ঠান আৰম্ভ হʼব। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ লগতে আন ভালেসংখ্যক বিশিষ্ট ব্যক্তি এই অনুষ্ঠানত উপস্থিত থাকিব।

উল্লেখযোগ্য যে জে ডি ইউৰ মুৰব্বী নীতিশ কুমাৰক কালি এন ডি এৰ নেতা হিচাপে নিৰ্বাচিত কৰা হয়। পাটনাত কালি অনুষ্ঠিত মিত্ৰজোঁটৰ পাঁচটা অংশীদাৰী দলৰ নৱনিৰ্বাচিত বিধায়কসকলৰ যুটীয়া বৈঠকত এই সিদ্ধান্ত গ্ৰহণ কৰা হয়।

ৰাজ্যখনৰ ২৪৩ জনীয়া বিধানসভাৰ বাবে অলপতে হোৱা নিৰ্বাচনত এন ডি এই ২০২ খন আসন লাভ কৰি বিপুল সংখ্যাগৰিষ্ঠতাৰে পুনৰ ক্ষমতা হস্তগত কৰিবলৈ সমৰ্থ হয়। ইয়াৰ পূৰ্বে বিজেপিৰ নেতা সম্ৰাট চৌধৰীক দলৰ বিধায়িনী গোটৰ নেতা আৰু বিজয় সিনহাক উপ-নেতা হিচাপে নিৰ্বাচিত কৰা হয়।

০০০০০০

সদৌ অসম সত্ৰ মহাসভাৰ ৰূপালী জয়ন্তী বৰ্ষ অনুষ্ঠানত অংশগ্ৰহণ কৰাৰ উদ্দেশ্যে আজি পুৱা ৰাজ্যপাল লক্ষ্মণ প্ৰসাদ আচাৰ্য ধেমাজিত উপস্থিত হয়। পুৱা ৰেʼলযোগে ধেমাজি ৰেʼল ষ্টেচনত উপস্থিত হোৱা ৰাজ্যপালগৰাকীক আৰক্ষী প্ৰশাসন আৰু বিজেপিৰ দলীয় কৰ্মকৰ্তাসকলে আদৰণি জনায়। সদৌ অসম সত্ৰ মহাসভাৰ ৰূপালী জয়ন্তী বৰ্ষ অনুষ্ঠানত মুখ্য অতিথি হিচাপে অংশগ্ৰহণ কৰিবলগীয়া ৰাজ্যপালগৰাকীয়ে আজি দিনৰ চাৰে ১০ বজাত ধেমাজি জিলা আয়ুক্তৰ কাৰ্যালয় পৰিদৰ্শন কৰাৰ পাছত ১১ বজাত ধেমাজিৰ জীয়াঢলত জলসম্পদ বিভাগে নিৰ্মাণ কৰা মথাউৰি

পৰিদৰ্শন কৰিব। ইয়াৰ পাছত তেওঁ ধেমাজিৰ ৰাজহুৱা প্ৰেক্ষাগৃহত সদৌ অসম সত্ৰ মহাসভাৰ কাৰ্যসূচীত অংশগ্ৰহণ কৰিব।

০০০০০০

বিদেশী ন্যায়াধীকৰণে শোণিতপুৰ জিলাৰ ৫ গৰাকী মহিলাক বিদেশী বুলি চিনাক্ত কৰিছে। জিলাখনৰ নদুৱাৰ সমষ্টিৰ অন্তৰ্গত জামুগুৰিহাট থানাৰ অধীনৰ ধোৱাকটা গাঁৱৰ এই মহিলাকেইগৰাকী ন্যায়াধীকৰণে বিদেশী বুলি চিনাক্ত কৰে। জিলাখনৰ আয়ুক্ত আনন্দ কুমাৰ দাসে দিয়া নিৰ্দেশনা অনুসৰি এই তথ্য পোহৰলৈ আহিছে। চিনাক্ত কৰা মহিলা কেইগৰাকী ফাতেমা, মনোৱাৰা, হানুফা, মৰিয়মনেচা আৰু আমজাদ আলী বুলি চিনাক্ত কৰা হৈছে। এই মহিলাকেইগৰাকীক ২৪ ঘণ্টাৰ ভিতৰত ভাৰত ত্যাগৰ নিৰ্দেশ দিয়া হৈছে।

০০০০০০

অসম ভ্ৰমণলৈ অহা প্ৰাক্তন ক্ৰিকেটাৰ অনিল কুম্বলে কালি মহিলা বিশ্বকাপ ক্ৰিকেটৰ চেম্পিয়ন ভাৰতীয় দলৰ সদস্য উমা ছেত্ৰীৰ পিতৃ-মাতৃক সাক্ষাৎ কৰে। তেওঁ খেলুৱৈগৰাকীৰ সাফল্যক লৈ সুখী বুলি অনুভৱ কৰাৰ লগতে ভৱিষ্যতৰ বাবেও শুভ কামনা জ্ঞাপন কৰে।

বাইট

উল্লেখযোগ্য যে প্ৰাক্তন ক্ৰিকেটাৰগৰাকীয়ে ইয়াৰ আগেয়ে কাজিৰঙা ৰাষ্ট্ৰীয় উদ্যান ভ্ৰমণ কৰি দেশৰ জনসাধাৰণক উদ্যানখন ভ্ৰমণৰ বাবে আহিবলৈ আহ্বান জনাইছিল।

০০০০০০

‘বহিঃৰাজ্যৰ ভ্ৰাম্যমান ভোটাৰক অসমৰ ভাগ্য নিয়ন্তা কৰাৰ ব্লু প্ৰিণ্ট’ শিৰোনামেৰে **অসমীয়া প্ৰতিদিন** কাকতে দুদিনৰ আগেয়ে কাম বিচাৰি অসমলৈ অহা লোককো বিশেষ সংশোধনীৰ জৰিয়তে ভোটাৰ তালিকাত নাম সুমুৱাব বিচৰাৰ বিৰুদ্ধে ছাত্ৰ সন্থা আৰু বিৰোধী দলসমূহে কৰা ভিন ভিন মন্তব্য আৰু মুখ্যমন্ত্ৰীয়ে এই সন্দৰ্ভত কৰা প্ৰতিক্ৰিয়াৰ বাতৰিয়ে প্ৰথম পৃষ্ঠাত বিস্তৃত বাতৰিৰূপে প্ৰকাশ কৰিছে। **আমাৰ অসম** কাকতে এই বাতৰিক ‘কৰ্ণাটক, মহাৰাষ্ট্ৰ, হাৰিয়ানা মডেলত হ’ব অসমৰ সংশোধিত ভোটাৰ তালিকা’ শিৰোনামেৰে পৰিৱেশন কৰিছে। ৰাজ্যৰ স্বাস্থ্য বিভাগে আন্দোলনত অৱতীৰ্ণ এন এইচ এমৰ বিষয়া কৰ্মীৰ দৰমহা কৰ্তনৰ সিদ্ধান্ত গ্ৰহণৰ এটা বাতৰিক **দৈনিক অগ্ৰদূত** কাকতে প্ৰথম পৃষ্ঠাত অন্যতম গুৰুত্বপূৰ্ণ বাতৰিৰ স্থান দিছে। এনফৰ্চমেণ্ট ডাইৰক্টৰেটে অল ফলাহ গোটৰ অধ্যক্ষক ১৩ দিনৰ জিম্মাত লোৱাৰ বাতৰিক **দি আছাম ট্ৰিবিউন** কাকতে আজিৰ প্ৰধান বাতৰি হিচাপে প্ৰকাশ কৰিছে। বিধানসভা নিৰ্বাচনক লৈ মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই কৰা দাবী সংক্ৰান্তীয় এটা বাতৰিক ‘২৬ ত অসমত ক্লীনচুইপ কৰিব বিজেপিয়ে’ শিৰোনামেৰে **নিয়মীয়া বাৰ্তা** কাকতে প্ৰকাশ কৰিছে। ‘আঘোণ পালেহি, শীত অহাৰহে বতৰা নাই’ শিৰোনামেৰে **অসমীয়া খবৰ** কাকতে গোলকীয় উষ্ণতাই প্ৰকৃতিৰ অপৰূপ সৌন্দৰ্য, নিয়ৰ-কুঁৱলী জাৰৰ দৰে ঋতুকেন্দ্ৰিক স্বাভাৱিক পৰিৱেশ নোহোৱা কৰাৰ বাতৰিক বিশেষ গুৰুত্ব সহকাৰে প্ৰধান বাতৰিৰ স্থান দিছে। দুই শতাধিক কণ্ঠ শিল্পী আৰু প্ৰায় চাৰি কুৰি বাদ্যযন্ত্ৰীয়ে চানমাৰিৰ অভিযান্ত্ৰিক খেল-পথাৰত প্ৰাণৰ শিল্পী জুবিন গাৰ্গক কালি সজল সোঁৱৰণ কৰাৰ বাতৰিক **দৈনিক জনমভূমি**ৰ লগতে আজি প্ৰকাশিত প্ৰতিখন কাকতে ভিন্ন শিৰোনামেৰে পৰিৱেশন কৰিছে। **দৈনিক অসম** কাকতে ছটা জনগোষ্ঠীৰ জনজাতিকৰণৰ বিৰোধিতাৰে এন চি এছ টিৰ অধ্যক্ষক ১৪ টা সংগঠনে সাক্ষাৎ কৰাৰ এটা বাতৰি প্ৰকাশ কৰিছে। **দা ছেণ্টিনেল** কাকতে এখন শক্তিশালী ভাৰতেহে চিকেন-নেকৰ ক্ষেত্ৰত দেখা দিয়া উদ্বিগ্নতা দূৰ কৰিব পাৰিব বুলি ড° মোহন ভাগৱতে মন্তব্য কৰাৰ বাতৰিক আলোকচিত্ৰসহ প্ৰকাশ কৰিছে।

এতিয়া পুনৰ বাতৰিৰ মাজলৈ ঘূৰি যাওঁ আহক।

০০০০০০

সাম্প্ৰতিক সময়ত মাতৃভাষা মাধ্যমত অধ্যয়ন কৰা পৰীক্ষাৰ্থীয়ে প্ৰতিযোগিতামূলক পৰীক্ষাত সফলতা লাভ কৰাত অন্তৰায়ৰ সৃষ্টি হৈছে নেকি? বৰ্তমান সময়ত ৰাজ্যৰ প্ৰতিযোগিতামূলক পৰীক্ষাৰ পৰিৱেশ কেনে? এনে কেইবাটাও প্ৰশ্নৰ উত্তৰ বিচাৰি বাতৰি বিভাগে অহা ২২ নৱেম্বৰ, শনিবাৰে নিশা ৮ বাজি ২ মিনিটত প্ৰচাৰ কৰিব এটা বিশেষ দৃষ্টিপাত অনুষ্ঠান। এই অনুষ্ঠানত অসম লোকসেৱা আয়োগৰ প্ৰাক্তন সদস্য, অধিবক্তা তথা সমাজকৰ্মী আৰু সাংবাদিকে অংশগ্ৰহণ কৰিব। অনুষ্ঠানটোৰ পৰিকল্পনা আৰু প্ৰযোজনা আকাশবাণী গুৱাহাটীৰ বাতৰি বিভাগৰ মুৰব্বী ৰাজীৱ লোচন বৰঠাকুৰৰ।

০০০০০০

ৰাজ্যত ডেংগু ৰোগৰ প্ৰাদুৰ্ভাৱ বৃদ্ধি পোৱাৰ পৰিপ্ৰেক্ষিতত স্বাস্থ্য বিভাগে বিশেষ সতৰ্কতা অৱলম্বন কৰিছে। স্বাস্থ্য বিভাগৰ সূত্ৰ অনুসৰি ৰাজ্যখনত কমেও ৫৭০ জন লোক এই ৰোগত আক্ৰান্ত হৈছে। ইয়াৰ ভিতৰত কামৰূপ মহানগৰ জিলাত সৰ্বাধিক ৭৪ জন লোক এই ৰোগত আক্ৰান্ত হোৱাৰ তথ্য পোৱা গৈছে। শিৱসাগৰত ৬৩ জন আৰু শোণিতপুৰ জিলাত ৪১ জন ৰোগ এই ৰোগত আক্ৰান্ত হৈছে। অৱশ্যে এই ৰোগৰ ফলত এতিয়ালৈ কোনো লোকৰ প্ৰাণহানি হোৱা নাই বুলি ৰাষ্ট্ৰীয় স্বাস্থ্য অভিযানৰ সূত্ৰই প্ৰকাশ কৰিছে। চলিত বছৰৰ আগষ্টত সৰ্বাধিক ১১৮ জন লোক এই ৰোগত আক্ৰান্ত হৈছিল বুলি সূত্ৰটোৱে প্ৰকাশ কৰিছে।

০০০০০০

অসম ৰাজ্যিক বিদ্যালয় শিক্ষা পৰিষদে ২০২৫-২৬ শিক্ষাবৰ্ষৰ বাবে হাইস্কুল শিক্ষান্ত পৰীক্ষা আৰু উচ্চতৰ মাধ্যমিক চূড়ান্ত পৰীক্ষাৰ দিন ঘোষণা কৰিছে। সেই অনুসৰি হাইস্কুল শিক্ষান্ত পৰীক্ষা ১০ পৰা ২৭ ফেব্ৰুৱাৰীলৈ অনুষ্ঠিত হ'ব। হাইস্কুল শিক্ষান্ত পৰীক্ষাৰ ব্যৱহাৰিক পৰীক্ষাসমূহৰ সূচী পাছত ঘোষণা কৰা কৰা হ'ব।

শিক্ষা পৰিষদৰ অধীনৰ উচ্চতৰ মাধ্যমিকৰ কলা, বিজ্ঞান, বাণিজ্য আৰু বৃত্তিমূলক শাখাৰ চূড়ান্ত পৰীক্ষা ১১ ফেব্ৰুৱাৰীৰ পৰা ১৬ মাৰ্চলৈ অনুষ্ঠিত হ'ব। ব্যৱহাৰিক পৰীক্ষাসমূহ ২৭ জানুৱাৰীৰ পৰা ৭ ফেব্ৰুৱাৰীলৈ অনুষ্ঠিত হ'ব বুলি ৰাজ্যিক শিক্ষা পৰিষদৰ বিজ্ঞপ্তিত কোৱা হৈছে।

০০০০০০

পৰহিলৈৰ পৰা গুৱাহাটীৰ বৰ্ষাপাৰাৰ অসম ক্ৰিকেট এছ'ছিয়েছনৰ খেলপথাৰত প্ৰথমবাৰৰ বাবে হ'বলগীয়া গুৱাহাটী টেষ্টৰ বাবে ভাৰত আৰু দক্ষিণ আফ্ৰিকাৰ দল দুটাই আজি অনুশীলন চলাব। পুৱাৰ ভাগত গৌতম গম্ভীৰ আৰু ভাৰতীয় দলৰ অধিনায়ক শুভমন গিলে বৰ্ষাপাৰা ষ্টেডিয়ামৰ উইকেট পৰ্যবেক্ষণ কৰে। আজি পুৱা ৯ বজাৰ পৰা দুপৰীয়া ১২ বজালৈ দক্ষিণ আফ্ৰিকাৰ দলে ষ্টেডিয়ামত অনুশীলন চলোৱাৰ বিপৰীতে দুপৰীয়া ১ বজাৰ পৰা বিয়লি ৪ বজালৈ ভাৰতীয়ে দলটোৱে অনুশীলন চলাব। একেদৰে কাইলৈ ভাৰতীয় দলটোৱে পুৱা ৯ বজাৰ পৰা দুপৰীয়া ১২ বজালৈ আৰু দক্ষিণ আফ্ৰিকাৰ দলে দুপৰীয়া ১ বজাৰ পৰা বিয়লি ৪ বজালৈ ষ্টেডিয়ামত অনুশীলন চলাব।

উল্লেখযোগ্য যে কালি গুৱাহাটীত উপস্থিত হোৱা ক্ৰিকেট দল দুটাক বিশেষ ছাৰ্টাৰ্ড বাছেৰে বিমান বন্দৰৰ পৰা হোটেল ৰেডিছন ব্লুলৈ লৈ যোৱা হয়। বিমান বন্দৰ আৰু হোটেলত দল দুটাৰ অগণন অনুৰাগীয়ে তেওঁলোকক হৰ্ষোধ্বনিৰে আদৰণি জনায়।

দুয়োটা দলৰ মাজৰ চলিত দুখনীয়া ক্ৰিকেট টেষ্ট শৃংখলাটোত দক্ষিণ আফ্ৰিকাই কলকাতাত অনুষ্ঠিত প্ৰথম টেষ্টত জয়লাভ কৰি ১-০ৰ অগ্ৰগতি লাভ কৰি আছে।

০০০০০০

বতৰৰ বতৰা–

স্থানীয় বতৰৰ আগলি বতৰা অনুসৰি অহা ২৪ ঘণ্টাত গুৱাহাটী আৰু ইয়াৰ উপকণ্ঠ অঞ্চলত বতৰ পুৱাৰ ভাগত কুঁৱলী পৰাৰ আৰু পৰৱৰ্তী সময়ত ফৰকাল হোৱাৰ সম্ভাৱনা আছে। আজি গুৱাহাটীৰ তাপমাত্ৰা সৰ্বোচ্চ ২৯

ডিগ্ৰী ছেলছিয়াছ আৰু সৰ্বনিম্ন ১৬ ডিগ্ৰী ছেলছিয়াছ হ'ব পাৰে বুলি বৰঝাৰৰ আঞ্চলিক বতৰ বিজ্ঞান কেন্দ্ৰই আগজাননী দিছে।

এই সময়ছোৱাত ত্ৰিপুৰা, মণিপুৰ, মিজোৰাম, অৰুণাচল, অসম, মেঘালয় আৰু নাগালেণ্ডৰ বতৰ শুকান হ'ব পাৰে বুলি বতৰ বিজ্ঞান কেন্দ্ৰই আগলি বতৰা দিছে।

০০০০০০

সমাপ্ত